بِسْمِ اللّٰہِ الرَّحْمٰنِ الرَّحِیْمِ نَحْمَدُہٗ وَنُصَلِّی عَلٰی رَسُوْلِہِ الْکَرِیْمِ وَعَلٰی عَبْدِہِ الْمَسِیْحِ الْمَوْعُوْدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ২৪ জানুৱাৰীত মছজিদ বায়তুল ফতুহ মৌৰডন (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - আজি যিজন চাহাবীৰ বিষয়ে স্মৃতিচাৰণ কৰা হব সেই সেইজন স্বনাম ধন্য চাহাবী হল হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ)। হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ)ৰ দেউতাকৰ নাম আছিল ৰওয়াহা বিন শ্বোলবা আৰু মাকৰ নাম আছিল কুবশা বিনতে ওয়াকিদ বিন উমৰু। এওঁ নচাৰ কবিলা খজৰজৰ এটা গোত্ৰ বণু হাৰিছ বিন খজৰজৰ লোক আছিল। হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ)ৰ বয়াতে উকবা দ্বিতীয়ত অংশগ্ৰহন কৰিছিল। এখেত (ৰাঃ) বনু হাৰিছ বিন খজৰজৰ চৰদাৰ আছিল। এখেতৰ কুনিয়াত (উপনাম) আছিল আবু মহম্মদ কিন্তু কিছুমানে আবু ৰওয়াহা আৰু আবু উমৰু বুলিও বৰ্ণনা কৰিছে। আনছাৰ সকলৰ পৰা এজন লোকে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ) আৰু হজৰত মিকদাদ (ৰাঃ)ৰ মাজত ভাতৃত্ব বন্ধন প্ৰতিষ্ঠা কৰি দিছিল। ইবনে ছাআদৰ মতে এখেত (ৰাঃ) নবী (ছাঃ)ৰ কথাৰ লিখক আছিল। হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ) সকলো যুদ্ধতেই ৰছুলুল্লাহ (ছাঃ)ৰ সৈতে যোগ দিছিল। এখেত (ৰাঃ)ৰ মুতাৰ যুদ্ধত সেনা নায়ক সকলৰ মাজত এখেত (ৰাঃ)ও এজন আছিল।

এখন ৰোৱায়েতত উল্লেখ আছে যে হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ)য়ে এবাৰ আহি ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত আহি উপস্থিত হৈছিল তেতিয়া নবী (ছাঃ)য়ে খোতবা পাঠ কৰি আছিল। খোতবা চলাকালীন তেখেত (ছাঃ)য়ে কৈছিল বহি যোৱা। এই শব্দ শুনাৰ লগে লগে হজৰত ৰওয়াহাৰ পুত্ৰ আব্দুল্লাহ (ৰাঃ)য়ে মছজিদৰ বাহিৰতে বাটত থিয় হৈ থকা ঠাইতে বহি পৰিছিল। যেতিয়া নবী কৰিম (ছাঃ)য়ে খোতবা শেষ কৰিছিল আৰু খবৰ শুনিবলৈ পাইছিল তেতিয়া তেখেত (ছাঃ)য়ে এখেত (ৰাঃ)ক কৈছিল " জাদাকা আল্লাহু হাৰছান তোওয়াতুল্লাহি ওয়া তোওয়াতুৰাছুলিহি" অৰ্থ্যাৎ আল্লাহৰ আনুগত্যৰ আৰু তাৰ ৰছুলৰ আনুগত্যৰ ইচ্ছা আল্লাহ তোমাৰ মাজত বঢ়াই তোলক। এনেকুৱা ঘটনা হাদীছৰ কিতাপ সমুহত হজৰত আব্দুল্লাহ বিন মাছুদ সম্পৰ্কেও উল্লেখ আছে।

হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ)য়ে যুদ্ধলৈ ওলাওতে সকলোৰে আগত ওলাইছিল আৰু ওভতি আহোঁতে সকলোৰে পিছত অহিছিল। হজৰত আবু দাৰদা (ৰাঃ)য়ে কৈছে যে মই সেই দ্বীনৰ পৰা আশ্ৰয় বিচাৰো যত হজৰত আব্দুল্লাহ বিন ৰওয়াহাৰ উল্লেখ নকৰো। যেতিয়া তেওঁ মোৰ সন্মুখৰ ফালৰ পৰা আহিছিল আৰু মোক লগ পোৱাৰ লগে লগে মোৰ বকুত তেওঁ হাত ৰাখিছিল আকৌ পিছফালৰ পৰা আহি থাকোতে মোক লগ পালে মোৰ কান্ধত হাত ৰাখিছিল আৰু মোক কৈছিল যে " ইয়া উয়ায়মিৰ জলিছু ফালনুমিনাচ্ছায়াতু" অৰ্থ্যাৎ হে ! উয়ায়মিৰ ! অলপ সময় বহা ঈমান সতেজ কৰোঁ। সেয়ে আমি বহিছিলো আৰু আল্লাহৰ জিকিৰ কৰিছিলো, যিমানদুৰ আল্লাহ তায়ালা কৰিব দিছিলি। আকৌ হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ)য়ে কৈছে যে হে উয়ায়মিৰ এয়া হল ঈমানৰ বৈঠক। হজৰত ইমাম আহমদৰ কিতাপ "কিতাবুল জিহাদ" ত বৰ্ণনা কৰিছে যে হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ)য়ে যেতিয়া কোনো লগৰীয়াক লগ পাইছিল তেতিয়া তাক কৈছিল- আহা আমি অলপ সময় আমাৰ পালন কৰ্তাৰ ওপৰত ঈমান অনাৰ স্মৰণ কৰি লওঁ। এই বিষয়ে নবী কৰিম (ছাঃ)য়ে কৈছে যে আল্লাহ তায়ালা ইবনে ৰওয়াহাৰ ওপৰত কৃপা কৰক, তেওঁ এনেকুৱা বৈঠক ভাল পাইছিল যাৰ ওপৰত ফিৰিস্তায় গৌৰৱ কৰিছিল।

হজৰত আবু হুৰায়েৰা (ৰাঃ)য়ে (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে নবী কৰিম (ছাঃ)য়ে কৈছে যে "নিয়ামুৰ ৰজালু আব্দুল্লাহ ইবনু ৰওয়াহা"। অৰ্থ্যাৎ হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ) কিমান যে উত্তম পুৰুষ আছিল। খয়বৰৰ বিজয়ৰ পিছত হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ)ক আঁহজৰত (ছাঃ)য়ে ফলমূল, শস্য আদিৰ অনুমান অৰ্থ্যাৎ আনুমানিক পৰিমান নিৰ্দ্ধাৰণৰ নিমিত্তে খয়বৰলৈ পঠয়াই দিছিল। এবাৰ হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ)ৰ ইমানেই জ্বৰ হৈছিল যে তেখেত (ৰাঃ)

অচেতন হে পৰিছিল। নবী কৰিম (ছাঃ)য়ে তেখেতক এৰিয়া পাটিত চাবলৈ গৈছিল আৰু কৈছিল- হে আল্লাহ ! যদি এওঁৰ মৰ্মুয সময় হৈ থাকে তেন্তে এওঁৰ বাবে সেয়া সহজ কৰি দিয়া আৰু এওঁৰ মৃত্যুৰ সময় হোৱা নাই তেন্তে এওঁক আৰোগ্য দান কৰা। এই দোৱা কৰাৰ পিছত হজৰত আব্দুল্লাহ (ৰাঃ)য়ে জ্বৰ শৰীৰত কমি যোৱা অনুভৱ কৰিছিল আৰু কৈছিল- ইয়া ৰছুলুল্লাহ (ছাঃ) মোৰ আশ্ৰয় আৰু মোৰ বেমাৰৰ প্ৰকোপ যেতিয়া অতি মাত্ৰা আছিল মই দেখিছিলো যে এজন ফিৰিস্তায় লোৰ গুৰুজ লৈ থিয় হৈ আছে আৰু মোক সুধিবলৈ লৈছে- সচাঁকৈয়ে তুমি এনেকুৱানে ? যদি মই উত্তৰ দিলোহেতেঁন যে হয় ! মই তেনেকুৱা তেন্তে নিশ্চয় তেওঁ মোক গুৰজ মাৰিলেহেতেঁন। (গুৰজ অৰ্থ্যাৎ এক প্ৰকাৰৰ শাস্তি)

হজৰত আব্দুল্লাহা বিন ৰওয়াহা (ৰাঃ) এজন কবিও আছিল। তেখেত (ৰাঃ) সেই সকল কবিৰ মাজত এজন আছিল যি সকলে নবী কৰিম (ছাঃ)ৰ ফালৰ পৰা বিৰুদ্ধবাদী সকলৰ অযথা ৰটনা কৰাৰ কথাৰ প্ৰত্যুতৰ দিছিল। এবাৰ আঁহজৰত (ছাঃ)য়ে এখেত (ৰাঃ)ৰ লিখিত কবিতা শুনি কৈছিল যে- হে ইবনে ৰওয়াহা অল্লাহ তায়ালা তোমাক প্ৰতিষ্ঠিত ভাৱে ইয়াৰ ওপৰত সুদৃঢ় ৰাখক। হিশাম বিন উৰুৱা কৈছে যে আল্লাহ তায়ালা এই দোৱাৰ বৰকতে তাক বৰ অগ্ৰগতিৰে প্ৰতিষ্ঠা দান কৰিছিল। অৱশেষত তেওঁ শ্বাহাদত বৰণ কৰিছিল আৰু তাৰ নিমিত্তে জান্নাতৰ দুৱাৰ উন্মুক্ত হৈ গৈছে। ইবনে ছাআদ ৰোৱায়েত কৰিছে যে যেতিয়া এই আয়াত নাজিল হৈছিল “ওৱাশ্বোৱাৰাও ইত্তবিউহুমুল গাউন” অৰ্থ্যাৎ সম্ভৱত কবি সকলে ভুলতে তাৰ অনুসৰণ কৰিছে। তেতিয়া হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ)য়ে কেছে যে আল্লাহ তায়ালা ভালদৰে জানে যে মই সেই সকলৰ মাজত আছোঁ, যি সকলৰ সম্পৰ্কে আল্লাহ তায়ালা এই আয়াত অৱতীৰ্ণ কৰিছে যে “ ইল্লাল্লাজিনা আমানু ওয়া আমিলুচ্চালিহাতি” তেওঁলোকৰ বাদে, যি সকলে ঈমান স্থাপন কৰিছে আৰু নেক আমল কৰি আছে। মজমুল শ্বোয়াৰৰ লিখকে লিখিছে যে হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ)জাহিলিয়তৰ যুগতেই প্ৰতিপত্তিশালী সন্মানীয় ব্যাক্তি আছিল আৰু ইছলামাৰ যুগতও এখেত বৰ উচ্চ মৰ্যাদা অৰ্জন কৰিছিল। হুজুৰ (ছাঃ)ৰ মৰ্যাদাৰ সপক্ষে হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ)য়ে এখন কবিতা কৈছিল, সেয়া উত্তম কবিতা বুলি প্ৰতিপন্ন হৈছে। সেই কবিতাৰ মাজেৰে তেখেৰত হৃদয়ৰ অৱস্থা প্ৰস্ফুটিত হয়। যত হজৰত আব্দুল্লাহ আঁহজৰত (ছাঃ)ক উদ্দ্যেশ্য কৰি কৈছে যে যদিও হজৰত মহম্মদ মোস্তোফা (ছাঃ)ৰ ব্যাক্তিত্বই প্ৰকৃত অৱস্থা প্ৰকাশৰ বাবে যথেষ্ঠ।

হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ) মুৰ্খতাৰ যুগতেই লিখা পঢ়া জানিছিল যদিও সেই যুগত আৰৱ দেশত কিতাপৰ সংখ্যা বহুত কম আছিল। বদৰৰ যুদ্ধৰ শেষত নবী কৰিম (ছাঃ)য়ে হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ক মদিনালৈ আৰু হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ)ক উৱালিৰ ওচৰলৈ অৰ্থ্যাৎ মদিনাৰ অতিৰিক্ত অধিকৃত অঞ্চললৈ বিজয়ৰ সংবাদ দিবলৈ পঠাই দিছিল। হজৰত ছঈদ বিন জাবিৰৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে মছজিদ হৰামলৈ উঠৰ পিঠিত আৰোহন কৰি গৈছিল আৰু নিজৰ লাঠিৰ জৰিয়তে হিজৰ আছুদত চুমা দি আছিল। তেখেত (ছাঃ)ৰ লগত হজৰত আব্দুল্লাহ বিন ৰওয়াহা সেই উটনিৰ লোকাম ধৰি গৈছিল আৰু এটা কবিতা পাঠ কৰিছিৰ যাৰ অৰ্থ এয়া আছিল - হে কাফিৰ সকল ! তোমালোকে বাট এৰি দিয়া, আমি তেখেত (ছাঃ)ক ওভতাই আনিবলৈ তোমালোকক এনে মাৰ মাৰিম, যিয়ে সকলোকে শান্তিৰ স্থান ত্যাগ কৰাব। হজৰত কায়েছ বিন আবু হাজমৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আব্দুল্লাহ বিন ৰওয়াহাক কৈছিল যে নামি যোৱা আৰু আমাৰ উট চলাই নিয়া। তেতিয়া যি কবিতা হজৰত আব্দুল্লাহ (ৰাঃ)য়ে পাঠ কৰিছিল তাৰ অৰ্থ এনেধৰণৰ- হে পৰিৱাৰদিগাৰ যদি তুমি নাথাকিলাহেতেঁন তেন্তে আমি হিদায়েত নাপালোহেতেঁন, না আমি ছদকা খয়ৰাত কৰিলোহেতেঁন, নে আমি নামাজ পঢ়িলোহেতেঁন, আমাৰ ওপৰত শান্তি নিৰাপত্তা অৱতীৰ্ণ কৰা আৰু যেতিয়া আমি শত্ৰুৰ মুখামুখি হ্ম তেতিয়া আমাৰ পদ দৃঢ় প্ৰতিষ্ঠিত ৰাখা কাৰণ কাফিৰ সকলে আমাৰ ওপৰত আক্ৰমণ চলাবলৈ সাজু হৈছে। নবী কৰিম (ছাঃ)য়ে কৈছিল হে আল্লাহ ! এওঁলোকক কৃপা কৰা, তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কৈছিল-আঁহজৰত (ছাঃ)ৰ দোৱায় এই কৃপা দয়া ওয়াজিব হৈ গৈছে। হজৰত উবাদা বিন ছামতৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে যেতিয়া হজৰত আব্দুল্লাহ বিন ৰওয়াহাক চাবলৈ গৈছিল তেতিয়া হজৰত আব্দুল্লাহ নিজৰ বিছনাৰ পৰা উঠিব পৰা নাছিল। তেখেত (ৰাঃ)য়ে কৈছিল - তোমালোকে জানানে মোৰ উম্মতৰ শ্বহীদ কোনে কোনে ? লোক সকলে উত্তৰ দিছিল যে তেনেকুৱা হলে দেখোন মোৰ উম্মতৰ শ্বহীদৰ সংখ্যা কম হৈ যাব। আঁহজৰত (ছাঃ)য়ে কৈছিল - মুছলমান সকলৰ শ্বাহাদত হল যে মুছলমান নিহত হোৱা,আৰু পেটৰ বেমাৰত মৃত্যু হোৱা,পানীত ডুবি মৃত্যুবৰণ কৰা আৰু সেই মহিলা যাৰ প্ৰসৱ কালত মৃত্যু হয়। এয়াই হল শ্বহীদৰ শ্ৰেণীৰ

বিভাগ।

হজৰত উৰুৱা বিন জায়েদ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে মুতাৰ যুদ্ধৰ সময়ত হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ক সেনা নায়ক পাতি কৈছিল যে যদি এওঁ যুদ্ধত শ্বহীদ হৈ যায় তেন্তে হজৰত জাফৰ বিন আবু তালিব তাৰ সলনি সেনা নায়ক হব। আকৌ যদি হজৰত আবু জাফৰও শ্বহীদ হৈ যায় তেন্তে তেওঁৰ ঠাইত হজৰত আব্দুল্লাহ বিন ৰওয়াহা সেনা নায়ক হব। যদি হজৰত আব্দুল্লাহ বিন ৰওয়াহা শ্বহীদ হৈ যায় তেন্তে মুছলমান সকলে যাক পছন্দ কৰে তাক সেনা নায়ক বনাই লব। হজৰত আব্দুল্লাহ বিন ৰওয়াহা সেই সময়ত কবিতা পাঠ কৰিছিল - মই ৰহমান খোদা তায়ালাৰ পৰা ক্ষমা বিচাৰো আৰু তৰোৱালেৰে এনে আঘাত হনাৰ তৌফিক বিচাৰো, যাৰ ফলত আহল বহল ক্ষতি হয় আৰু সতেজ তেজ প্ৰবাহিত হোৱা হয়, যাৰ পৰা ফেন উঠি যায়। আকৌ বল্লমৰ এনে আক্ৰমণ যি তেজৰ পিয়াহ থকা হাতেৰে মাৰি পঠোৱা হয়, যি নাড়ি ভুৰী আৰু কলিজা ভেদি পাৰ হৈ যায়। ইমানেই যে যেতিয়া মানুহে মোৰ কবৰৰ কাযেদি পাৰ হৈ যাব তেতিয়া যেন কয় - হে যুদ্ধত চামিল হওঁতা, আল্লাহ তোমাৰ কল্যাণ কৰক আৰু খোদা তায়ালা যেন কৃপা দান কৰে। ইয়াৰ পিছত হজৰত আব্দুল্লাহ বিন ৰওয়াহা ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত গৈ হাজিৰ হৈছিল আৰু তেখেত (ছাঃ)য়ে হজৰত হজৰত আব্দুল্লাহ বিন ৰওয়াহা বিদায় দিছিল। মুতা নামৰ ঠাইত তিনি লাখ ৰুমি সৈন্যৰ সৈতে মুছলমান সকলৰ যুদ্ধ সংগঠিত হৈছিল যত মুছলমান আছিল মাত্ৰ তিনি হাজাৰ। মুছলমান সেনা নায়ক সকল এজনৰ পিছত এজন শ্বহীদ হৈ গৈছিল। আল্লাহ তায়ালা আঁহজৰত (ছাঃ)ক এই শ্বাহাদত সম্পৰ্কে খবৰ দিছিল।

হজৰত আনিছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে নবী কৰিম (ছাঃ)য়ে হজৰত জায়েদ, হজৰত জাফৰ, আৰু হজৰত আব্দুল্লাহ বিন ৰওয়াহাৰ শ্বহীদ হৈ যোৱাৰ খবৰ লোকক জনাইছিল। তেখেত (ছাঃ)য়ে কৈছিল জায়েদে পতাকা হাতত লৈছিল তেওঁও শ্বহীদ হৈ গৈছে। কথা কওঁতেই আঁহজৰত (ছাঃ)ৰ চকুলো বৈ গৈছিল আৰু কৈছিল আকৌ পতাকা আল্লাহৰ তৰোৱালৰ পৰা এক তৰোৱালে উঠাই লৈছে। অৱশেষত আল্লাহ তায়ালা তাৰ জৰিয়তে বিজয় দান কৰিছে। যেতিয়া চাহাবা সকলে এই কবিতা পাঠ কৰিছিল তেতিয়া মাজে মাজে আঁহজৰত (ছাঃ)য়েও তেওঁলোকৰ লগত সুৰ মিলাই পাঠ কৰিছিল। এনেদৰে বহু পৰিশ্ৰম আৰু দীঘলীয়া সময়ৰ পিছত মছজিদ নিৰ্মানৰ কাম সম্পৰ্ণ হৈছিল।

হুজুৰ আনোৱাৰ (আঃ)য়ে কয় যে এতিয়া মই এজন মৰহুমৰ বিষয়ে আলোচনা আগবঢ়াম। উক্ত মৰহুমৰ নাম হল মকৰম ডক্টৰ লতিফ আহমদ কুৰাইছ চাহাব। এখেতৰ দেউতাকৰ নাম আছিল মনজুৰ আহমদ কুৰাইছ। ২০২০ চনৰ ১৯ জানুৱাৰীত দুপৰীয়া এক বজাত নিজ ঘৰতেই ৪০ বছৰ বয়সত ইহলীলা সম্বৰণ কৰিছে । ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। ১৯৩৭ চনৰ এখেতৰ দেউতাকে হজৰত মুছলেহ মাওউদ (ৰাঃ)ৰ হাতত বয়াত কৰি আহমদীয়াতৰ অন্তৰ্ভুক্ত হৈছিল। এখেতৰ ,মাতৃ মকৰমা মনছুৰা বুশৰা চাহিবা এতিয়াও জীয়াই আছে। ১৯৬৮ চনত হিজৰত খলিফাতুল মছিহ তৃতীয় (ৰহঃ)য় ডক্টৰ চাহাবাক কৈছিল যে আপুনি আমাৰ ওচৰলৈ কেতিয়া আহিব। তেতিয়া মছিহ তৃতীয় (ৰহঃ)য়ে কৈছিল তেন্তে আপুনি আহি যাওঁক। তেতিয়া ডক্টৰ চাহিবা বৃটেইনৰ পৰা আহি ফজলে উমৰ হস্পিতালত নিযুক্ত হৈছিল। ১৯৮৩ চনৰ ১১জুলাইৰ পৰা ছিফ মেডিকেল অফিছাৰ ফজলে উমৰ হস্পিতাল হিচাপে নিযুক্ত আছিল। প্ৰায় ৩০ বছৰ কাল তেখেতে এই হস্পিতালত খিদমত আগবঢ়াইছিল। কেইদিনমান আগতে এখেতৰ পত্নীৰ মৃত্যু হৈছে । যিজনী মৌলানা আব্দুল মালিক খান চাহাবৰ জীয়েক আছিল। যোৱা জুমাৰ দিনা মই মৰহুমাৰ নমাজে জানাজা পঢ়াইছো। ইয়াৰে দুদিন পিছত মৰহুম ডক্টৰ চাহাবৰ মৃত্যু হৈছে। অৰ্থ্যাৎ পত্নীৰ মৃত্যুৰ ১৫ দিন পিছত ডক্টৰ চাহাবৰও মৃত্যু হৈছে। এওঁলোক দুয়োজন ইহ সংসাৰত তিনিজিন পুত্ৰ আৰু দুজনী জীয়েক এৰি থৈ গৈছে। এখেতৰ পুত্ৰ ডক্টৰ আতাউল মালিক কৈছে যে যেতিয়াৰে মই বুজি পোৱা হৈছো, দেখিছো দেউতাকে কেতিয়াও তাহাজ্জুদৰ নামাজ এৰি দিয়া নাই। মোৰ মাতৃয়ে কৈছে যে বিয়া কৰোৱাৰ আগদিনাৰ পৰা এই তাহাজ্জুদৰ নামাজ নিয়মিত ভাৱে পঢ়িছিল। প্ৰায় ৫০ বছৰ কাল যাৱত নিয়মিত তাহাজ্জুদ আদায় কৰিছিল।।

এখেতৰ আন এজন পুত্ৰ ডক্টৰ কুৰাইছ মহম্মদ আহমদ মেহমুদ চাহাবে কৈছে যে তৃতীয় খলিফায় দেউতাকৰ বিষয়ে কৈছিলি যে - এওঁ কেৱল ডক্টৰেই নহয় বৰং দোৱা কাৰী ডক্টৰ হয়, প্ৰত্যেকজন বেমাৰীৰ বাবে দোৱা কৰিছিল। প্ৰত্যেক প্ৰেছক্ৰাইপছনত আগতে বিছমিল্লাহ হিৰৰাহমানিৰ ৰাহিম লিখি লৈছিল। আৰু তলত হুয়াস্বাফি লিখিছিল।

আল্লাহ তায়ালা এখেতৰ ওপৰত ক্ষমাৰ অঞ্জলি দান কৰক। তেখেতৰ সতি সন্তানক ধৈয্যৰ সৈতে সাহস আৰু এখেতৰ

অনুযায়ী নেকি অৰ্জনৰ তৌফিক দান কৰক। মৰহুমৰ মাকৰও টান নৰিয়া চলি আছে আল্লাহ্ তায়ালা তেখেতৰ ওপৰত ৰহম আৰু কৃপা  বৰ্ষন কৰক। (আমিন)

**********

## Assamese Khulasa Khutba Jumma Huzoor Anwar  24 JAN. 2020

**(BOOK POST PARINTED MATTER)**

**To**

--------------------------------------------------------------------------

--------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**